# অসম সাহিত্য সভা

## হেমচন্দ্ৰ বৰুৱাৰ ডেৰশ বছৰীয়া জন্ম-বাৰ্ষিকী
## দেৰগাওঁ

## উদ্বোধনী-ভাষণ

ডঃ বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

১০ জানুৱাৰী ১৯৮৬

# হেমচন্দ্ৰ বৰুৱাৰ ডেৰশ বছৰীয়া জন্মোৎসৱ

## উদ্বোধনী-ভাষণ

হেমচন্দ্ৰ বৰুৱাৰ কথা সুঁৱৰিলে প্ৰথমে মনলৈ আহে কালৰ লগত তেওঁৰ সম্পৰ্ক। তেওঁৰ জন্মৰ কিছুদিনৰ আগতে অসমত স্বাধীনতাৰ বেলি মাৰ গৈছিল। পৰাধীন অসমত বৃটিংশ সাম্ৰাজ্যবাদী চৰকাৰৰ শাসন চলিছিল। সামন্তবাদী অসমীয়াসকলৰ দুটা বিদ্ৰোহ ইতিমধ্যে শেষ হৈ গ'ল। প্ৰথমটো গমধৰ কোঁৱৰৰ বিদ্ৰোহ আৰু দ্বিতীয়টো পিয়লী ফুকন-হঁতৰ বিদ্ৰোহ। হেমচন্দ্ৰৰ যেতিয়া বাইশ বছৰ, তেতিয়া মণিৰাম দেৱান-হঁতৰ বিদ্ৰোহ হয়। সেই সময়ত তেওঁ শিৱসাগৰত বাস কৰিছিল আৰু "বিদ্ৰোহ"ৰ দৰ্শক আছিল। তেওঁ লিখিছে, "ইং ১৮৫৮ শকত গোলাঘাটৰ ৰেবনিউ পেস্কাৰ বিদ্ৰোহত লিপ্ত থকা অপৰাধত চচ্ পেণ্ড হোৱাত মই তেওঁৰ মূৰে ছমাহ কাম কৰোঁ। তাৰ পৰা উলটি অহাৰ পাচত শিৱসাগৰৰ ইংৰাজী স্কুলৰ দ্বিতীয় শিক্ষক শ্ৰীযুত পৰমানন্দ ভড়ালীয়ে মেলানি লোৱাত তেওঁৰ বাবে একটিং হওঁ।" ইয়াৰ পাচত তেওঁ ১৮৬২ চনৰ পৰা ১৮৮১ চনলৈকে গুৱাহাটীৰ কমিছনাৰৰ অফিচত চুপাৰিটেণ্ডেণ্ট পদ ভোগ কৰে। ১৮৮২ চনত তেওঁ অৱসৰ লৈ গুৱাহাটীতে ঘৰ-বাৰী কৰি "আসাম নিউচ" কাকত সম্পাদনা কৰিবলৈ লয়। ১৮৯৬ চনৰ ১৭ মেৰ দিনা তেওঁ চিৰ-কাললৈ চকু মুদে। দেখা যায় অসমক বৃটিংশৰ হাতৰ পৰা উদ্ধাৰ কৰাৰ বাবে তেওঁ কোনো ৰাজনৈতিক কাম হাতত লোৱা নাছিল। মাণিক চন্দ্ৰ বৰুৱাৰ লগত তেওঁৰ বন্ধুত্ব আছিল। তেওঁৰ কাকতত অসম এছো-চিয়েশ্যন গঠন হোৱাৰ সংবাদো ওলাইছিল। এই অনুষ্ঠানৰ প্ৰতি তেওঁৰ নিশ্চয় সহানুভূতি আছিল। ইয়াৰ উদ্দেশ্য আছিল জাতীয় স্বাৰ্থ ৰক্ষাৰ্থে এটি পুঁজি তোলা আৰু "সাংবিধানিক আন্দোলন" কৰা। 'অসম নিউচ' কাকতৰ অকাল মৃত্যুত আনন্দি ইণ্ডিয়ান এছোচিয়েশ্যনৰ অন্যতম

কৰ্ণধাৰ সুৰেন্দ্ৰনাথ বেনাৰ্জীৰ "ডি বেঙলী" কাকতে দুঃখ প্ৰকাশ কৰাৰ কথাও আমি জানো। এই বিলাক তথ্যই প্ৰমাণ কৰে যে বৰুৱাৰ ৰাজনীতি ধীৰ আছিল। তেওঁক 'ৰেডিকেল' বুলি ক'বলৈ বিশেষ তথ্য আমাৰ হাতত নাই। 'আসাম নিউচ'ত বৰ্ণ বৈষম্যৰ সমালোচনা ওলালেও, এই সমালোচনাই তেওঁৰ ৰাজনৈতিক মতৰ আমূল পৰিবৰ্ত্তনকামী স্বভাৱ প্ৰকাশ নকৰে। চৰকাৰলৈ পঠোৱা দলৈ আৰু পাইকৰ লেন-দেনৰ সমস্যা, অসমীয়া আখৰ, চিকিৎসাত বাদে আনত কানি ব্যৱহাৰ নিষেধ, ভাৰতীয় চৰকাৰী চাকৰিয়ালৰ বিধবাৰ পেন্সনাদি সম্পৰ্কীয় যিবোৰ টোকা পোৱা যায়, সেইবোৰত স্বদেশানুৰাগ ধীৰপন্থী সংস্কাৰমূলক ভাৱ হৈহে ঘাইকৈ প্ৰকাশ পাইছে। উল্লেখযোগ্য যে কানি সম্পৰ্কীয় টোকাটো অসমীয়া ৰাইজক কানিয়ে কৰা সামাজিক আৰু অৰ্থনৈতিক অপকাৰৰ উল্লেখ থাকিলেও তাত তেওঁ কোনো ৰেডিকেল ৰাজনৈতিক মত প্ৰকাশ কৰা নাই। 'কানীয়াৰ কীৰ্ত্তন' নাটতো অনুৰূপ দৃষ্টিভঙ্গীয়েই প্ৰাধান্য লাভ কৰিছে। 'আসাম নিউচ' কাকত পাবলৈ নাই, কিন্তু তাতো আমূল পৰিবৰ্ত্তনকামী ভাৱধাৰা নাই বুলিয়েই ধাৰণা হয়। তেওঁৰ এই ধীৰপন্থী ৰাজনীতিয়ে তেওঁৰ জাতীয় চেতনা যে নিৰ্দ্দিষ্ট ক্ষেত্ৰত সীমিত কৰিছিল, সেই বিষয়ে বোধহয় ব্যাখ্যা কৰাৰ একো প্ৰয়োজন নাই।

তথাপি "আসাম নিউচ"ৰ ধীৰ ভূমিকাও সেই সময়ত জাতিৰ পক্ষে উপকাৰী আছিল। এইখন কাকতে অসমীয়া গদ্য ৰীতিৰ আৰ্হি দাঙি ধৰিছিল। কাকতখনে অসমত অযথা খাজনা বৃদ্ধিৰ আৰু শ্ৰমিকৰ মাজত চলা শোষণমূলক বেগাৰ প্ৰথাৰ সমালোচনা কৰিছিল। কলিকতাত ইংৰাজ বিচাৰকে এজন বঙালী কেৰাণীক অফিচত জোতা খুলি সোমাবলৈ কোৱাত কেৰাণীজন অমান্তি হোৱাত তেওঁক জৰিমনা কৰাৰ ঘটনাত 'আসাম নিউচ' ৰুষ্ট হৈছিল। 'আসাম নিউচে' পুথি সমালোচনাৰ এটা আৰ্হিও প্ৰৱৰ্ত্তন কৰে আৰু সংবাদ পৰিৱেশনৰ যোগেদি অসমীয়াক জাতীয় জীৱনৰ প্ৰতি আগ্ৰহান্বিত কৰে।

তেওঁৰ আগতে আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়াক ইংৰাজ জাতিৰ আৰ্হি দৰ্শাই জাতীয় উন্নতিৰ আদৰ্শ এটি দিবলৈ যত্ন কৰিছিল।

অসমত উদ্যোগ, কৃষি, ব্যৱসায়, শিক্ষা আদিৰ উন্নতিৰ বাবে মানুহক মানসিকভাৱে সজাগ কৰাতেই এই আদৰ্শৰ লক্ষ্য সীমাবদ্ধ। ইয়াৰ প্ৰভাৱ হেমচন্দ্ৰৰ ওপৰত নিশ্চয় পৰিছিল। কাৰণ তেওঁ আনন্দৰামক 'মহাত্মা' বুলি সম্বোধন কৰিছে। হেমচন্দ্ৰৰ লেখাত তেওঁৰ মন বা অন্তৰ জীৱন লুইতৰ তল সুঁতিৰ দৰে দেখা নাযায়, ই লেখাৰ মাজতে বুৰ গৈ থাকে। তেওঁৰ জীৱনৰ আহিঁ ব্যক্তিবোৰৰ প্ৰতি তেওঁৰ মনোভাৱ একোটা শব্দৰ বা খণ্ডবাক্যৰ মাজেদিহে আৱিষ্কাৰ কৰিব লগাত পৰে। 'মহাত্মা' আনন্দ-ৰামে আৰু 'ধন্যবাদৰ পাত্ৰ' গুণাভিৰাম বৰুৱাই একাদিক্ৰমে অসমীয়া ডেকাবোৰক "বঙালী বাইৰ সলনি অসমীয়া মাতৃক আদৰ কৰিবলৈ" শিকাইছিল। আৰু দুই/এটা উদাহৰণ দিয়া যাওক। তেওঁৰ জীৱন কালত জহনী বোলা সঁচাকৈয়ে এজনী ৰাক্ষসী আছিল। এই ৰাক্ষসীয়ে প্ৰথমতে তেওঁৰ পিতৃ মুক্তাৰাম বৰুৱাক, দ্বিতীয়তে তেওঁৰ অধ্যাপক যদুনাথ আৰু দদায়েকৰ পুতেক পদ্মনাথক, আৰু তৃতীয়তে তেওঁ ভাৰ্য্যাক এজনৰ পিছত এজনকৈ গ্ৰাস কৰিলে। এই আঘাতৰ বেদনা তেওঁ "ৰাক্ষসী জহনী" এই দুটা শব্দৰেই প্ৰকাশ কৰিছে। ক'তো বিলাপ নাই। চিপাহী বিদ্ৰোহকো তেওঁ কেৱল "বিদ্ৰোহ" শব্দতেই সামৰি থৈছে। তেওঁৰ ভাওনী পুথি 'স্বাস্থ্য ৰক্ষা" খনক যদি অকাল মৰণৰ বিৰুদ্ধে এটা অভিযান বোলো তেন্তে শুদ্ধ হ'ব নে নহয় ক'ব নোৱাৰো, কিন্তু এনে অমিতবাক লেখকে তেনে কৰাৰ সম্ভাৱনা নুই কৰিব নোৱাৰি। আমি কেমেৰাত অমৰ বা মৰণোত্তৰ জীৱন লাভ কৰিবলৈ কিমান হামৰাও কাঢ়ো, কিন্তু সোণাৰ চাঁদ বৰুৱাক তেওঁৰ জীৱনত তোলা একমাত্ৰ পোহৰ ছবিখন নি দিলত তেওঁ ফালি ডুটুকুৰা কৰি পেলালে। অলপীয়া কথাৰ মানুহজন প্ৰচাৰ বিমুখেই নাছিল, 'হেমকোষ' লেখাৰ কালত বছেৰেকত কেৱল বিজয়া দশমীৰ দিনাহে আলিবাটত টহল দিবলৈ গৈছিল। তেওঁ হেনো নিজৰ কৰ্মশক্তিৰ অনন্যতাত ইমান বিশ্বাসী আছিল যে 'হেমকোষ'ৰ নকল আৰু ছপা তেওঁৰ বাহিৰে আনে কৰিব পাৰিব বুলি ভাবিব পৰা নাছিল। এই আত্মবিশ্বাসজনিত একান্ত আত্মমুখীনতাৰ ফলত তেওঁৰ হানিও হৈছিল, আৰু যন্ত্ৰনাও ভুগিছিল। তেওঁ হেনো এখন তুলনামূলক ব্যাকৰণো লেখি-

ছিল, কিন্তু ব্যাকৰণখন পোহনীয়া বান্দৰটোৱে ফালি পেলালে আৰু তাক হকা-বধা কৰিবলৈ যাওঁতে গ্ৰন্থকাৰৰ মুখ আঁচোৰত ওফন্দি পৰিল। এই পোহনীয়া বান্দৰটো সম্ভৱতঃ কাল, যি তেওঁৰ একান্ত আত্মনিৰ্ভৰশীলতাত আঘাত হানিছিলহি।

হেমচন্দ্ৰৰ ৰচনা-শৈলী তেওঁৰ আত্মজীৱন চৰিতত্বকৈ 'বাহিৰে ৰং চং ভিতৰে কোৱা-ভাতুৰী'ত অধিক সুসংহত ৰূপত প্ৰকাশ পাইছে। ইয়াত তেওঁৰ পৈণত ব্যক্তিত্ব ফুটি ওলাইছে। অসমীয়া জন সংস্কৃতি সামন্তবাদৰ অৱসান আৰু উপনিবেশিক যুগৰ আৰম্ভণিৰ দোমোজাত কি দৰে থকা-সৰকা হৈছিল, তাক অধ্যয়ন কৰিবলৈ এই কিতাপখনে সুযোগ দিয়ে। 'পাতনি'ত তেওঁ কৈছে, সকলো "কপটিয়া মানুহে যেনে আচৰণ কৰে, তাকে মাথোন (গ্ৰন্থখনত) বৰ্ণনা কৰা যাব। আমি জানি বা, ইয়াত এটা চোলা যুগুত কৰি থৈছো, সি যাৰ গাতে খায়, তেৱেঁই তাক পিন্ধিব।" তেওঁ মূলতঃ মানৱ স্বভাৱৰ দোষখিনিক সমালোচনা কৰিছে, কোনো ব্যক্তিক নহয়। মাথোন বিকৃত অস্পৃশ্যতাৰ ধাৰণাৰ ফলত এই দোষবোৰ নিজ দেশৰ মানুহৰ গাত সহজ হৈ পৰিছিল। ইমানেই। মানুহৰ বাহিৰৰ সৈতে ভিতৰৰ অমিল ব্যঙ্গ কৰাই তেওঁৰ ঘাই লক্ষ্য। গ্ৰন্থখনৰ আটাইকেউটা চৰিত্ৰই এনে। গোবৰ্দ্ধন দেউ-আতা, মৰ্কটেশ্বৰ ফুকন, চণ্ডিকা, ভণ্ডেশ্বৰ বৰুৱা চিৰস্তাদাৰ, বীৰেন্দ্ৰ বৰুৱা, ইটৰেল চাহাব, হেড কেৰাণী, বেজ, দলৈ-আদি কোনোটো চৰিত্ৰই তেওঁৰ আগত কপটতা গোপন কৰিব পৰা নাই। বৈষ্ণৱ, তান্ত্ৰিক, বেজ, জ্যোতিষী, চিৰস্তাদাৰ, ৰাজকিয়া, ইংৰাজ বিচাৰক, আধুনিক হেড বাবু—কোনোজনেই বাহিৰে-ভিতৰে এক নহয়। চৰিত্ৰাঙ্কন কৰোঁতে লেখকে চৰিত্ৰবোৰৰ বিবিধ ভঙ্গিমা উদঙাই দিওঁতে তেওঁ বৈষ্ণৱ পন্থা, তান্ত্ৰিক পন্থা, বেজালি. জ্যোতিষ বিদ্যা, লোকবিশ্বাসবো যথেষ্ট জ্ঞান দৰ্শাইছে। অৱশ্যে কোৱা-ভাতুৰীৰ আটাইকেইটি চৰিত্ৰ অসাধু, অবিবেকী আৰু ক্ষেত্ৰ বিশেষে আপোন-পেটা আৰু লোভী। আধুনিক পৰিবেশত তেওঁলোক হীনপ্ৰভ আৰু পৰিমিত। আধুনিক বিচাৰালয়ত (বা আন অনুষ্ঠানত) কাম কৰা সকলৰ খেনোৰ পোছাক প্ৰাচীন আৰু খেনোৰ চাহাবী ; খেনোৰ মন পৌৰাণিক, খেনোৰ আধুনিক। বিচাৰালয়ত আৰু চাহাবৰ গুৰিত কোনেও অসমীয়া নকয়, এটা খিচিৰি

ভাষা কৈ সকলো ভুচুংপন্থ হয়। ইংৰাজ বিচাৰকজনে স্থানীয় ভাষা নাজানে আৰু বিচাৰতো অপটু। ফলত বিচাৰালয়খন হৈ পৰে বহুৱাৰ আলয়। গাভৰুদেওৰ চিকিৎসা-বিভ্ৰাট দেখুৱাওঁতে লেখকে বেজ, দলৈ, আৰু তামোল নোখোৱা আতৈসকলৰ বিদ্যাৰ আৰু ক্ৰিয়াৰ জোলোঙাবোৰ নিখুতকৈ উবুৰিয়াই দেখুৱাইছে, ফলত প্ৰাচীনসকলে দূৰত ৰথা ডাক্তৰী বিদ্যা আৰু ক্ৰিয়াৰ আগত সেইবোৰ মৰামুজা হ'ল। মুঠতে কোৱাভাতুৰীত বহুৱাবোৰৰ বহুৱালি চাই কোনেও ক'ব নোৱাৰে যে সেই সময়ৰ ওপৰ শ্ৰেণীৰ অসমীয়াসকলে এটা নিটোল নিখুঁত জীৱনৰ পথ দেখা পাইছিল। আৰু কি হেড বাবুৰো ব্যৱহাৰ অসামঞ্জস্যৰে ভৰা। তেওঁৰ আধুনিকতা সম্পৰ্কে আমি নিঃসন্দেহ। কাৰণ তেওঁ "ঠেঙ্গা কুৰ্তা পিন্ধে, জাতি-ভেদ নেমানে, কুসংস্কাৰ শিকলি কাটি মুকলি হৈছে, দেশাচাৰৰ বিপক্ষ, তিৰোতাক পঢ়োৱা, বাৰীক বিয়া দিয়া আদি দেশৰ উন্নতি হোৱা কথাত বৰ উৎসাহ দেখায়।" কিন্তু তেওঁৰো অকাৰণ ভয়, লুতুৰামি, মাতৃভাষা ক'বলৈ লাজ, ঠেকত পৰিলে কুসংস্কাৰ মানি চলা অগুণবোৰ আছে। বৰুৱাৰ প্ৰায় নিজৰ দৰেই আধুনিক ভাবাপন্ন এই হেড কেৰাণীজনেও শেহত তেওঁৰ মনুষ্যত্বৰ তুলাচনীত ফেৰ মাৰি ৰ'ব নোৱাৰিলে।

এই বিষন্ন কিন্তু বিদুষকময় আলয়খনত বেছি সময় থকা টান। নিজেও বিদুষক বা বহুৱা হোৱাৰ ভয়। কেৱল এটা কথা ক'ব লাগিব। অসমীয়া গদ্য ব্যঙ্গৰসৰ সাৰ্থক বাহন কেনেকৈ কৰিব পাৰি তাৰ প্ৰকৃষ্ট উদাহৰণ হ'ল কোৱাভাতুৰীৰ ভাষা। হেম গোঁসাইৰ মতে 'হেমকোষ' অসমীয়া ভাষাৰ পক্ষে সঞ্জীৱনী মন্ত্ৰ। 'হেমকোষ'ৰ বাবে হেমচন্দ্ৰই যি শব্দ-সাধনা কৰিলে, তাৰ ফল সকলোৱে ভোগ কৰিছে। কিন্তু কোৱাভাতুৰী'ত তেওঁ শব্দ জ্ঞানৰ এনে সুব্যৱহাৰ কৰিছে যে ইয়াৰ সাহিত্যিক ভাষা অসমীয়া ব্যঙ্গ সাহিত্যৰ বিশিষ্ট গদ্য হৈ উঠিছে। এই গদ্যৰ বৈশিষ্ট্য হৈছে ব্যঙ্গমুখীয়া সুনিৰ্মিত বাক্যৰ কুশল প্ৰয়োগ। ইয়াত হেমচন্দ্ৰৰ ভাষাই সাহিত্য। পঢ়িলে অনুমান হয় কোনো শব্দই ইয়াত অপ্ৰয়োজনীয় নহয়। বানান, বিবিধ শব্দ, খণ্ড বাক্য, প্ৰবচন আদিৰ পৰা শ্লেষ

আৰু ব্যঙ্গাত্মক ব্যঞ্জনা নিগৰাই উলিওৱাত তেওঁ সিদ্ধহস্ত। ব্যঙ্গাত্মক কাহিনীটোৰ বিষয় কালাতীত হ'লেও বৰ্ত্তমানৰ দোমোজাৰ কালত ব্যঙ্গাত্মক সাহিত্য সৃষ্টি কৰিব খোজাসকলে ইয়াৰ ভাষাত আৰ্হি বিচাৰি পাব। বেজবৰুৱাৰ স্বচ্ছন্দ, স্বতঃস্ফুৰ্ত্ত, সদাপ্ৰবাহমান ধেমেলীয়া গদ্য ৰীতি অমিতবাক, একান্ত যুক্তি নিষ্ঠ বৰুৱাৰ গদ্যৰীতিৰ পৰা সুকীয়া। লম্বোদৰ বৰাৰ মৃদু, সাৱলীল, খুহুটীয়া গদ্য ৰীতিও ইয়াৰ লগত নিমিলে।

স্বদেশানুৰাগ বৰুৱাৰ ভাষা-সাহিত্যৰ অদৃশ্য চালিকা শক্তি। হেমকোষ আৰু কোৱাভাতুৰী দুয়োখন গ্ৰন্থ তাৰ উত্তম নিদৰ্শন। অৱশ্যে তেওঁৰ স্বদেশানুৰাগ বিভিন্ন ধৰণৰ লেখাত প্ৰকাশ পাইছে। আধুনিক শিক্ষাৰ আদি যুগত অসমীয়া ভাষাৰ ব্যাকৰণ, পাঠ্যপুথি, অভিধানৰ প্ৰয়োজন পূৰণ কৰাত তেওঁ বিশেষ মনোনিবেশ কৰে। ইয়াৰ বাহিৰেও তেওঁ অসমীয়া ভাষাৰ হক প্ৰতিষ্ঠা কৰাৰ বাবে চৰকাৰলৈ অসমীয়া আখৰ সম্পৰ্কীয় টোকা, আসাম নিউচ'ৰ পাতত লিখা পুথি সমালোচনা আদি লেখাবোৰৰ বিশেষ মূল্য আছে। আকালৰ কালৰ খুদ চাউল হ'লেও এইবোৰে কেচুৱা কালত আধুনিক সাহিত্যক পুষ্টি যোগাইছিল। কেইতবোৰ ৰচনা আছিল সামাজিক সংস্কাৰৰ উদ্দেশ্যে লিখা। এইবোৰৰ ভিতৰত কানি খোৱাৰ অপকাৰিতা দেখুৱাবলৈ লিখা 'কানীয়াৰ কীৰ্ত্তন' নাট সৰ্ব্ব প্ৰথমে উল্লেখযোগ্য। কোৱাভাতুৰীখনকো সমাজ সংস্কাৰৰ উদ্দেশ্যে ৰচা কাহিনী বুলিব পাৰি। তেওঁ বিভিন্ন প্ৰৱন্ধত বিধবা বিবাহ আৰু স্ত্ৰী শিক্ষাৰ সমৰ্থন কৰিছে, আৰু বহু বিবাহৰ বিৰোধিতা কৰিছে। এই বিলাক মত ৰাম মোহন ৰায় বা ঈশ্বৰ চন্দ্ৰ বিদ্যাসাগৰৰ দ্বাৰা অনুপ্ৰাণিত হ'লেও তাত তেওঁৰ নিজস্ব চিন্তা আৰু দেশৰ নাৰীসকলৰ অৱস্থাৰ উন্নতি সাধনৰ হেঁপাহো বৰ্ত্তমান। এই প্ৰৱন্ধবোৰত আৰু অন্যান্য লেখাৰ বা উক্তিৰ মাজত তেওঁৰ পাৰমাৰ্থিক চিন্তাৰো আভাস পোৱা যায়। তেওঁ জগতৰ আৰু জন্ম মৃত্যুৰ শেষ কাৰণ প্ৰকৃতি বুলি কৈছিল ; থল বিশেষ প্ৰকৃতিৰ ঠাইত ঈশ্বৰ বা ব্ৰহ্ম শব্দও ব্যৱহাৰ কৰিছিল। ধৰ্মক তেওঁ নীতি বুলি মানিছিল। ধৰ্মৰ নামত ছলা অযুক্তিকৰ ধৃতি-নীতি, ৰীতি,

অনুষ্ঠান, সাম্প্রদায়িকতা, অন্ধবিশ্বাস, নাৰীৰ প্ৰতি অবিচাৰ, ভণ্ডামি আদি তেওঁ সমৰ্থন নকৰিছিল। এই নেতিবাচক দৃষ্টিয়ে তেওঁক যুক্তিসন্মত মানৱতাবাদৰ ভাৱধাৰা বিকাশৰ বাবে প্ৰেৰণা দিছিল।

তেওঁ চৰকাৰলৈ দিয়া প্ৰশাসন সম্পৰ্কীয় টোকা আৰু 'আসাম নিউচ'ত প্ৰকাশ কৰা কিছুমান সংবাদ আৰু আৰু মন্তব্য সেই সময়ত প্ৰভাৱশালী আছিল। এইবোৰত খাজনা বৃদ্ধি বন্ধ, দলৈ-পাইকৰ সম্পৰ্ক নিয়মিতকৰণ, ইংৰাজ বিচাৰকে কৰা বৰ্ণবৈষম্য মূলক ৰায়ৰ প্ৰতিবাদ, জাতীয় স্বাৰ্থ ৰক্ষাৰ্থে সাংবিধানিক ভাৱে কাম কৰিবলৈ ওলোৱা 'অসম এছোচিয়েশ্যন'ৰ সংবাদ প্ৰকাশ কৰি উদ্যোক্তা সকলক উৎসাহ প্ৰদানৰ কথা প্ৰকাশ পাইছিল। এই লেখাবোৰ হেমচন্দ্ৰৰ ধীৰপন্থী ৰাজনৈতিক চেতনাৰ চিন। 'আসাম নিউজ'ৰ অকাল মৃত্যুত যি সকল অনাঅসমীয়াই শোক প্ৰকাশ কৰিছিল সেই সকলৰ ভিতৰত বঙ্গদেশৰ ধীৰপন্থী নেতা আৰু সাংবাদিক সুৰেন্দ্ৰ নাথ বেনাৰ্জীও আছিল। তেওঁ "দি বেঙ্গলী" কাকতৰ সম্পাদক ৰূপে এই শোক প্ৰকাশ কৰিছিল। বাবু উপেন্দ্ৰ নাথ মুখোপাধ্যায়ে হেমচন্দ্ৰক "অসমীয়া ভাষাৰ যুগ প্ৰৱৰ্ত্তক মহাপুৰুষ" বুলি শ্ৰদ্ধা জনাইছিল। ১৮৮৩-৮৪ চনত প্ৰশাসনীয় প্ৰতি-বেদনত অসমৰ কমিছনাৰে "আসাম নিউজ"ৰ মত বঙ্গদেশৰ কাকতকৈ বেলেগ বুলি অভিহিত কৰিছে। অৱশ্যে শিৱসাগৰৰ কিছুমান ফৌজদাৰী মকৰ্দ্দমাৰ সংবাদত ইউৰোপীয় সকলক সমালোচনা কৰাৰ বাহিৰে কাকত-খনত "থলুৱা আৰু ইউৰোপীয় লোকসকলৰ মাজত" মনোমালিন্য ঘটিব পৰা একো কথা নাছিল বুলি তেওঁ মন্তব্য কৰিছে।

হেমচন্দ্ৰ বৰুৱাৰ "Notes on the Marriage Systems of the People of Assam" গ্ৰন্থখন (আজি কালিৰ ভাষাত কবলৈ হ'লে) লোক সংস্কৃতি বা সংস্কৃতিক নৃতত্ত্বৰ গ্ৰন্থ। ১৮৯২ চনত ৰচিত এই ইংৰাজী গ্ৰন্থত অসমৰ বিভিন্ন গোটৰ মাজত প্ৰচলিত বিবাহ প্ৰথা-বোৰৰ চমু বিৱৰণ পোৱা যায়। পুথিখন যথেষ্ট পৰ্য্যবেক্ষণৰ ফল আৰু তাত ঘাইকৈ অসমীয়া বিয়া প্ৰথাবোৰত পৰা হিন্দু শাস্ত্ৰ আৰু থলুৱা ৰীতি-নীতিৰ প্ৰভাৱৰ কথা সদৰি কৰা হৈছে। এই গ্ৰন্থখনত লোক

সংস্কৃতিবিদ হেমচন্দ্ৰজনৰ সন্ধান পাওঁ হক।

অসমৰ জাতীয় চেতনা যোৱা ডেৰশ বছৰে বিভিন্ন ক্ষেত্ৰত বিকাশ লাভ কৰিছে যদিও আজিও ই সম্পূৰ্ণ দৰ্শন হোৱাগৈ নাই। আজিও ই বিভিন্ন খণ্ডিত ৰূপতহে বিকশিত হৈ আছে। এই খণ্ডিত ৰূপবোৰ হল: ৰাজনৈতিক, সাংস্কৃতিক, অৰ্থনৈতিক আৰু সামাজিক। স্বাধীনতাৰ আন্দোলনে অসমীয়া মানুহৰ ৰাজনৈতিক চেতনা সামৰি লোৱাৰ পিছত মাজে মাজে কোনো কোনোৱে স্বতন্ত্ৰতাৰ দুই এটা ধ্বনি তোলা স্বত্বেও তাৰৈল কান নকৰি অসমীয়া মানুহে স্বাধীন ভাৰতত এখন ভাষিক ৰাজ্য প্ৰাপ্তিৰ যোগেদি অসমীয়া আৰু ভাৰতীয় চেতনাৰ সুসমন্বয় সাধিছিল। ষাঠি দশকৰ পৰা একেৰাহে হোৱা ভাষা, মাধ্যম আৰু বিদেশী নাগৰিক বহিষ্কাৰ আন্দোলনবোৰে এই সুসমন্বয়ৰ সীমাবদ্ধতা যে দৰ্শাইছে তাত সন্দেহ নাই, কিন্তু আধুনিক কালতো অসমীয়া মানুহে স্বতন্ত্ৰতাৰ অবাস্তৱ ধ্বনিত পৰিণত নহৈ আন্দোলনৰ মাজেদি হ'লেও ভাৰতীয় সংবিধানৰ উদাৰনৈতিক গাঠনিৰ মাজতে অসমীয়া আৰু ভাৰতীয় চেতনাৰ সুসমন্বয় পুনৰ ঘূৰাই আনিবলৈ যত্ন কৰিছে। কেতিয়াবা চিন্তাৰ খেলিমেলি লাগিলেও আমাৰ সামগ্ৰিক মনটো যে সমন্বয় সাধনৰ পথৰ পৰা আঁতৰি নেযায়, এই বিষয়ে মোৰ বিন্দু মাত্ৰও সন্দেহ নাই। বৰ্তমান পৰিস্থিতি হেমচন্দ্ৰ বৰুৱাৰ দিনৰ পৰিস্থিতিতকৈ ৰাজনৈতিক দৃষ্টিৰ পৰা সম্পূৰ্ণ বেলেগ, কাৰণ ইতিমধ্যে বৃটিছ শাসন লুপ্ত হ'ল আৰু আমি এখন গণতান্ত্ৰিক ৰাষ্ট্ৰৰ ভিতৰত নিজ ভবিষ্যত নিজে ৰচনা কৰাৰ কিছুমান মৌলিক অধিকাৰ লাভ কৰিছো। যোৱা ছবছৰীয়া আন্দোলনে বিভিন্ন ধৰণৰ মানসিক দ্বন্দ আৰু সংঘাতৰ মাজেদি লৈ গৈছিল যদিও বৰ্তমান হৈ যোৱা নিৰ্বাচনৰ ফলাফলে আমাক এটা শান্ত অৱস্থাত উপনীত কৰিছেহি। এই সময়ত আমাক হেমচন্দ্ৰৰ যুক্তিবাদী আৰু জাতীয় আত্মসমালোচনামূলক জীৱন-দৰ্শনৰ প্ৰয়োজন হৈছে। আমাক আজি এটা সম্পূৰ্ণ মানবতাবাদী দৰ্শন লাগে যাৰ সহায়ত আমি নিজৰ জাতীয় অস্তিত্ব আৰু উন্নতিৰ বাধাবোৰ যুক্তিপূৰ্ণভাৱে খণ্ডন কৰি আগ বঢ়াৰ পৰিৱেশ গঢ়িব পাৰো। মানবতাবাদী দৰ্শনটো যদি সম্পূৰ্ণ আৰু ক্ৰান্তিকাৰী হয়, তেন্তে আমি

নিষ্টচজ গৰ আৰু চিন্তাৰ বলেৰে অসমীয়া মনৰ লগত ভাৰতীয় মন কিয়, বিশ্বমনৰো সমন্বয় সাধিব পাৰিম। প্ৰকৃত পক্ষে অসমৰ ৰাইজৰ সকলো গোটৰ একেলগ হ'ব খোজা নিৰ্বাক মনবোৰ যদি লগ লগাব পাৰো তেন্তে তাতে আমি ভাৰতীয় মন আৰু বিশ্ব মনক লগ লগোৱাৰ সঞ্জীৱনী মন্ত্ৰও বিচাৰি পাম। এই মনৰ ঐক্য অকল মধ্যমবৰ্গীয় শ্ৰেণী বা গোষ্ঠী-ভিত্তিক ঐক্য হ'লে নহ'ব, ই হ'ব লাগিব সকলো গোটৰ জনতাৰ নিৰ্বাক মনৰ ঐক্য। এই ঐক্য ভাৱ বিস্তাৰিত হ'ব লাগিব আৰু বৈষয়িক আৰু মানসিক উভয়ৰ ক্ষেত্ৰতে।

অৰ্থনীতি, সমাজ, সাহিত্য, কলা, শিক্ষা আৰু ঐতিহাসিক পৰম্পৰাবোৰৰ পৰা ৰাজনীতি বিচ্ছিন্ন নহয়। জীৱনত এক অখণ্ড ঐক্য বিৰাজমান। কাজেই ৰাজনৈতিক সাধনাক বাকীবোৰ সাধনাৰ পৰা আঁতৰাই ৰখা অসম্ভৱ। আমাৰ সমূহীয়া জীৱনত ৰাজনীতিৰ মুখ্য ভূমিকাৰ কথা অস্বীকাৰ নকৰো। কিন্তু আনবোৰৰ ভূমিকাও সমানেই গুৰুত্বপূৰ্ণ। আমি দাৰিদ্ৰ্য মোচন আৰু সাৰ্বজনিক নিয়োগৰ সুবিধা কৰি দিব পৰা এটা সমতাপূৰ্ণ অৰ্থনীতি বিচাৰিছো। আমি অসমৰ সকলো সম্পদ, মানবীয় পটুতা, পুঁজি আৰু মানসিক শক্তিৰ সদ্ব্যৱহাৰ কৰিব পৰা উন্নতিৰ এটা বৈজ্ঞানিক পৰিকল্পনা বিচাৰিছো। আমি সমতা আৰু সংহতিৰ ভেটিত ৰচিত এখন সুন্দৰ সমাজ বিচাৰিছো, যাৰ ভেটি সাম্প্ৰদায়িকতা, ধৰ্মীয় গোড়ামি, ভাষিক কন্দল আৰু মনক সংকীৰ্ণ কৰা কোনো গোষ্ঠীবাদৰ বিভেদকাৰী আহ্বানে সতকাই লৰাব নোৱাৰে। আমাৰ সংস্কৃতিৰ ঐতিহ্যবোৰ অধ্যয়ন কৰি ভাল বস্তুবোৰৰ পৰা প্ৰেৰণা, পৃথিৱীৰ তথা দেশৰ সংস্কৃতিৰ সাৰবস্তুখিনি গ্ৰহণ কৰি আমি আজি ন মানুহ আৰু ন মানুহৰ মূল্যবোধৰ ভেটিত ন সংস্কৃতি গঢ়াৰ কথাও ভাবিছো। বৰ্তমান শিক্ষা পদ্ধতিৰো আমি আমূল সংস্কাৰ বিচাৰিছো। আমাক মানুহ গঢ়া শিক্ষা লাগে, যি শিক্ষাই আমাৰ প্ৰত্যেকৰে স্বধৰ্ম অনুযায়ি পটুতা বঢ়ায়, আৰু সৃষ্টি আৰু আৱিস্কাৰৰ শক্তি জাগ্ৰত কৰায়। মানুহৰ অন্তিম পৰিচয় তাৰ সৃষ্টিত অথবা আৱিস্কাৰত। সেই কাৰণে সাহিত্য, কলা আৰু বিজ্ঞানৰ মূল্য আনবিলাক মূল্যৰ উৰ্দ্ধত। প্ৰকৃত পক্ষে সামগ্ৰিক উন্নতিৰ লক্ষ্য হ'ল সৃষ্টি আৰু আৱিস্কাৰৰ পৰিবেশ ৰচা। এই লক্ষ্য পাবৰ বাবেই আমি প্ৰায়ে

দিক্‌ভ্ৰান্ত হওঁ। গতিকে আমি সম্যক চিন্তাৰ দ্বাৰা এক সম্পূৰ্ণ জীৱন দৰ্শন গঢ়িব লাগিব।

ওপৰৰ সিদ্ধান্ত যদি আমি গ্ৰহণ কৰো তেন্তে আমি উন্নতিৰো আদৰ্শ বদলাব লাগিব। মানুহৰ বৈষয়িক উন্নতি লাগতিয়াল কিন্তু লগে লগে মানসিক, আধ্যাত্মিক আৰু নন্দনতাত্ত্বিক উৎকৰ্ষতা লাভ কৰিব নোৱাৰিলে দেহ আৰু আত্মাৰ, বাহিৰ আৰু ভিতৰৰ মাজত মাৰাত্মক বিভাজন ঘটিব আৰু মানুহ দিকভ্ৰান্ত হ'ব। দিকভ্ৰান্ত মানুহেই আনবিক বিভীষিকা, ৰাষ্ট্ৰীয় হিংসা, সাম্প্ৰদায়িকতা, গোষ্ঠীগত সন্ত্ৰাসবাদৰ উদ্দেশ্যে সমাজক টানি লৈ যায়। পৃথিবীৰ মানুহৰ এই ৰোগেই আজি ঘাই। গতিকে মানুহৰ ব্যক্তিত্বৰ সন্তুলিত বিকাশ আমাৰ লক্ষ্য হ'ব লাগে। মানুহৰ দেহৰ ভোক আৰু মনৰ ভোক দুয়োটাই গুৰুত্বপূৰ্ণ।

এই পূৰ্ণ উন্নয়নৰ কাম কেৱল চৰকাৰৰ হাতত এৰি দিব নোৱাৰি। পৰিকল্পনাবিদ সকলো কেতিয়াবা লক্ষ্যভ্ৰষ্ট হয়, সমাজ পৰিচালকসকলৰ ভুল নীতি বা আদৰ্শ অন্ধভাৱে অনুকৰণ কৰাৰ ফলত। সেইকাৰণে আমাৰ প্ৰভুসকলকো আমি মানৱতাৰ আৰু প্ৰকৃত উন্নয়নৰ শিক্ষা দিব লাগে। তাৰ কাৰণে স্বেচ্ছাসেৱক আৰু স্বায়ত্বশাসিত অনুষ্ঠানৰ প্ৰয়োজন। এই অনুষ্ঠানবোৰে সেৱাৰ যোগেদি জনসাধাৰণৰ সুচেতনা জগাই তেওঁলোকক প্ৰকৃত মানুহ কৰাত যথাসাধ্য বৰঙনি যোগাব লাগে। সচেতন আৰু মুক্ত মনৰ মানুহেহে প্ৰকৃত সংহতি আনিব পাৰে আৰু পৰিচালকসকলক নিয়ন্ত্ৰনত ৰাখিব পাৰে।

হেমচন্দ্ৰ বৰুৱাই সীমাবদ্ধ ৰাজনৈতিক পৰিবেশৰ মাজত থাকি কাম কৰিব লগা হোৱাত তেওঁৰ যুক্তিবাদী আৰু আত্মনিৰ্ভৰশীল মনৰ পূৰ্ণ শক্তি জাতীয় চেতনা আৰু উন্নতিৰ বিকাশত প্ৰয়োগ কৰিব নোৱাৰিলে। কিন্তু যি খিনি কৰিলে সেইখিনি জানো কম? আজি আমাৰ বহুত প্ৰতিভাবান লোকে তেওঁতকৈ ভাল পৰিবেশত বাস কৰিছে, কিন্তু দিকভ্ৰান্ত হোৱা বাবে সমাজলৈ বিশেষ একো বৰঙনি যোগাব পৰা নাই। হেমচন্দ্ৰ বৰুৱাৰ ডেৰশ বছৰীয়া জন্মোৎসৱত আমি প্ৰত্যেকেই নিজৰ অন্তৰলৈ ভুমুকিয়াই নেচাওঁ কিয়?

হেমচন্দ্ৰৰ জন্মস্থানত তেওঁক সুঁৱৰিবলৈ পাই ধন্য মানিছো। কিন্তু মহৎলোকে জন্মস্থান, কৰ্মস্থান, দেশ আৰু পৃথিবীক চেতনা সকলোৰে সমন্বয়

সাধিছে কামত আগবাঢ়ে। সেই কাম তেওঁ নিজৰ কৰ্মক্ষেত্ৰত থাকি কৰিলেও তেওঁৰ মন সৰ্বত্ৰগামী হয়। গতিকে দেৰগাৱঁৰ ৰাইজে নিজৰ ঘৰত থাকিয়েই চৌপাশৰ পৃথিবীৰ লগত নিজক জড়িত কৰি জীৱনৰ এটা সামগ্ৰিক দৰ্শন গ্ৰহণ কৰক। সেয়ে হ'ব হেমচন্দ্ৰৰ প্ৰতি আচল শ্ৰদ্ধাঞ্জলি। দৰ্শন হ'লে বাকী সকলোবোৰ কথাই তাৰ পিছ লয়।

জাপানৰ ৰাইজে বুদ্ধৰ এটা বাণীক খুব মূল্য দিয়ে। বাণীটি প্ৰাৰ্থনা সম্পৰ্কীয় উপদেশ। প্ৰাৰ্থনাৰ সময়ত মানুহে কি ভাৱে সেৱা কৰা বা শ্ৰদ্ধা জনোৱা ভাল, বুদ্ধই তাৰ আৰ্হি এটা দিছে।

প্ৰাৰ্থনাৰ সূত্ৰটো এই ঃ

"পূবলৈ মূৰ দোঁৱাই পিতৃ মাতৃৰ শলাগ ল'বা,
দক্ষিণলৈ মূৰ দোঁৱাই শিক্ষকসকলৰ শলাগ ল'বা,
পশ্চিমলৈ মূৰ দোঁৱাই স্ত্ৰী-সন্তানৰ শলাগ ল'বা,
উত্তৰলৈ মূৰ দোঁৱাই বন্ধু, চিনাকিজন, বিশ্বজনৰ শলাগ ল'বা,
আকাশলৈ মুখ তুলি বিশ্বত নিজ স্থিতিৰ বাবে নিজক ধন্য মানিবা,
পৃথিবীলৈ চাই সৰ্বসম্পদ দাত্ৰী ধৰিত্ৰীক ধন্যবাদ জনাবা"

এই প্ৰাৰ্থনাৰ অনুৰূপ প্ৰাৰ্থনা পৰম্পৰাগত চাহ পানোৎসৱত জাপানী লোকসকলে কৰে। চাহৰ পিয়লা চাফ কৰা পাটৰ কানিখনৰ চাৰি চুকৰ চাৰিটি দিশলৈ চাই পানোৎসৱত যোগদিয়া লোকসকলে এনে প্ৰাৰ্থনা কৰে। এই প্ৰাৰ্থনা ঘৰৰ মাজ-মজিয়াত বহিও কৰিব পাৰি। যি বসুধাক কুটুম্ব কৰাৰ এই সংকেত গ্ৰহণ কৰে তেওঁ নিজৰ মাজেদি বিশ্বক উপলব্ধি কৰিব পাৰে। হেমচন্দ্ৰৰ বৃহত্তৰ সত্তা উপলব্ধিৰ এয়ে হ'ল সহজ পন্থা। এই প্ৰাৰ্থনাটি কৰি মই আপোনালোকৰ পৰা মেলানি মাগিলো।

বীৰেন্দ্ৰ কুমাৰ ভট্টাচাৰ্য্য

গুৱাহাটী